# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 16-04-2025
**Time :** 19-10   Hrs

***Assamese Evening Bulletin***
***Headlines***

১। ৱক্‌ফ সংশোধনী আইনৰ সাংবিধানিক বৈধতাৰ প্ৰশ্ন তুলি দাখিল কৰা কেইবাখনো আবেদন সন্দৰ্ভত উচ্চতম ন্যায়ালয়ে  আজি শুনানি গ্ৰহণ কৰে।

২। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু ফিনলেণ্ডৰ ৰাষ্ট্ৰপতি আলেকজেণ্ডাৰ ষ্টুবৰ মাজত হোৱা টেলিফোনিক বাৰ্তালাপত দুয়োদেশৰ পাৰস্পৰিক স্বাৰ্থজড়িত বিষয়সমূহে অগ্ৰাধিকাৰ লাভ কৰে।

৩। চীনে আমেৰিকালৈ আমদানিকৃত সামগ্ৰীৰ ক্ষেত্ৰত ২৪৫ শতাংশ প্ৰতিশুল্কৰ সন্মুখীন হৈছে।

৪। দেশত বিগত ১০ বছৰত মাছৰ উৎপাদন ৯৫ লাখ টনৰ পৰা প্ৰায় ১৮৪ লাখ টনলৈ বৃদ্ধি পাইছে। *আৰু*

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি খন্তেক পাছতে নতুন দিল্লীত হবলগীয়া এখন খেলত ডেলহি কেপিটেলছ-ৰাজস্থান ৰয়েলছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০

ৱক্‌ফ সংশোধনী আইনৰ সাংবিধানিক বৈধতাৰ প্ৰশ্ন তুলি দাখিল কৰা কেইবাখনো আবেদন সন্দৰ্ভত উচ্চতম ন্যায়ালয়ে আজি শুনানি গ্ৰহণ কৰে। ন্যায়ালয়ে এই গোচৰটোৰ শুনানি কাইলৈৰ পৰা প্ৰতি দিনে গ্ৰহণ কৰাৰ সিদ্ধান্ত লয়। মুখ্য ন্যায়াধীশ সঞ্জীৱ খান্না আৰু ন্যায়াধীশ সঞ্জয় কুমাৰ আৰু ন্যায়াধীশ কে ভি বিশ্বনাথনক লৈ গঠিত খণ্ড আদালতে আজি দিনৰ ২ বজাৰ পৰা এই গোচৰটোৰ শুনানি আৰম্ভ কৰে। সৰ্বোচ্চ ন্যায়ালয়ে আজি কেন্দ্ৰীয় চৰকাৰৰ হৈ ছলিচিটৰ জেনেৰেল তুষাৰ মেহতাই ৱক্‌ফ সংশোধনী আইনৰ সপক্ষে আগবঢ়োৱা যুক্তি শুনে। ছলিচিটৰ জেনেৰেলগৰাকীয়ে এই ক্ষেত্ৰত ন্যায়ালয়ে কোনো অন্তৰ্ৱৰ্ত্তীকালীন আদেশ জাৰি কৰাৰ বিৰোধিতা কৰে আৰু ইয়াৰ পাছত ন্যায়ালয়ে কেন্দ্ৰীয় চৰকাৰক নিজৰ শপতনামা দুসপ্তাহৰ ভিতৰত দাখিল কৰাৰ বাবে জাননী জাৰি কৰে। শুনানিৰ সময়ত আদালতে দেশৰ বিভিন্ন অংশত ৱক্‌ফ আইনক লৈ সৃষ্টি হোৱা হিংসাত্মক প্ৰতিবাদ সন্দৰ্ভত উদ্বেগ প্ৰকাশ কৰে আৰু এই পৰিস্থিতি শীঘ্ৰেই নিয়ন্ত্ৰণ কৰাৰ ব্যৱস্থা ল'বলৈ চৰকাৰক নিৰ্দেশ দিয়ে।

উল্লেখযোগ্য যে লোকসভাৰ সাংসদ তথা কংগ্ৰেছৰ মুখ্য সচেতক মহম্মদ জাভেদ, অল ইণ্ডিয়া মজলিছ-ই-ইত্তেহাদি মুছলমিনৰ হৈ ইয়াৰ মুৰব্বী আছাদউদ্দিন ওৱেছি, এছোচিয়েচন অব চিভিল ৰাইটছ, জামায়াত উলেমা-ই-হিন্দ, অল ইণ্ডিয়া মুছলিম পাৰ্চনেল ল বোৰ্ডকে ধৰি কেইবাটাও সংগঠনে এই আইনৰ বিৰোধিতা কৰি

উচ্চতম ন্যায়ালয়ত আবেদন দাখিল কৰিছিল। কেন্দ্ৰীয় চৰকাৰৰ লগতে অসম, হাৰিয়ানা, মহাৰাষ্ট্ৰ, মধ্য প্ৰদেশ, ৰাজস্থান, ছত্তিশগড় আৰু উত্তৰাখণ্ডে এই আবেদনৰ বিৰোধিতা কৰি উচ্চতম ন্যায়ালয়ত আবেদন দাখিল কৰিছিল।

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ফিনলেণ্ডৰ ৰাষ্ট্ৰপতি আলেকজেণ্ডাৰ ষ্টুবৰ সৈতে আজি টেলিফোনিক বাৰ্তালাপত মিলিত হয়। এই বাৰ্তালাপৰ সময়ছোৱাত দুয়োগৰাকী নেতাই পৰস্পৰৰ স্বাৰ্থজড়িত বিষয়সমূহৰ লগতে আঞ্চলিক আৰু গোলকীয় বিষয়সমূহ সন্দৰ্ভতো মত বিনিময় কৰে। দুয়োগৰাকী নেতাই ইউক্ৰেইনৰ সাম্প্ৰতিক পৰিস্থিতি সন্দৰ্ভতো আলোচনা কৰে। তেওঁলোক দুয়োগৰাকী নেতাই ভাৰত আৰু ফিনলেণ্ডৰ মাজত ডিজিটেলাইজেশ্বন, বহনক্ষম আৰু গতিশীল বিষয়সমূহতো দুয়োদেশৰ সহযোগিতাৰ দিশটো পৰ্যালোচনা কৰে।

০০০০

চীনে আমেৰিকালৈ আমদানিকৃত সামগ্ৰীৰ ক্ষেত্ৰত ২৪৫ শতাংশ প্ৰতিশুল্কৰ সন্মুখীন হৈছে। প্ৰতিশোধমূলক কাৰ্যৰ ফলস্বৰূপে চীনে এই বৰ্ধিত প্ৰতিশুল্কৰ সন্মুখীন হ'বলগীয়া হৈছে বুলি হোৱাইট হাউচ কৰ্তৃপক্ষই প্ৰকাশ কৰিছে। ইপিনে, মাৰ্কিন ৰাষ্ট্ৰপতি ডোনাল্ড ট্ৰাম্পে চীনকে ধৰি বিশ্বৰ কেইবাখনো দেশৰ বিৰুদ্ধে আৰোপ কৰা উচ্চ হাৰৰ প্ৰতিশুল্ক সন্দৰ্ভত চীন চৰকাৰে মাৰ্কিন কৰ্তৃপক্ষৰ সৈতে আলোচনা কৰাৰ বাবে আন্তৰ্জাতিক বাণিজ্য বিষয়ক এগৰাকী মধ্যস্থতাকাৰীক নিযুক্ত কৰিছে। লি চেংগাং নামৰ এই মধ্যস্থতাকাৰীগৰাকীক ২০২০ চনত চীন আৰু আমেৰিকা যুক্তৰাষ্ট্ৰৰ মাজত সম্পাদিত বাণিজ্য চুক্তি মধ্যস্থতাকাৰী ৱাং ছো ৱেনৰ স্থানত নিযুক্ত কৰা হৈছে। উল্লেখযোগ্য যে আমেৰিকা যুক্তৰাষ্ট্ৰই চীনৰ বিৰুদ্ধে ইয়াৰ পূৰ্বে ১৪৫ শতাংশ হাৰৰ ৰপ্তানি শুল্ক আৰোপ কৰিছিল। তদুপৰি ৰাষ্ট্ৰপতি ট্ৰাম্পে আন দেশসমূহৰ বিৰুদ্ধে আৰোপ কৰা প্ৰতিশুল্কৰ কাৰ্যকৰীকৰণ ৯০ দিনলৈ স্থগিত ৰাখিছে যদিও চীনৰ ক্ষেত্ৰত ইয়াক তৎকালে কাৰ্যকৰী কৰাৰ কথা ঘোষণা কৰিছে। চীনে এইবছৰৰ জানুৱাৰী আৰু মাৰ্চ মাহৰ ভিতৰত ইয়াৰ অৰ্থনীতি বিকাশৰ হাৰ ৫ দশমিক ৪ শতাংশ বৃদ্ধি পোৱাৰ কথা ঘোষণা কৰিছিল আৰু অতি শীঘ্ৰে দেশখন বিশ্বৰ দ্বিতীয় বৃহৎ অৰ্থনীতিত পৰিণত হ'ব বুলি ঘোষণা কৰিছিল। মাৰ্কিন ৰাষ্ট্ৰপতি ডোনাল্ড ট্ৰাম্পৰ সাম্প্ৰতিক প্ৰতিশুল্ক আৰোপৰ ঘোষণাই স্বাভাৱিকতেই চীনৰ অৰ্থনীতিত বিৰূপ প্ৰভাৱ পেলোৱাটো নিশ্চিত হৈ পৰিছে।

০০০০

ভাৰত - উজবেকিস্তান যুটীয়া সামৰিক অনুশীলন ডাষ্টলিক-6 ৰ আজি মহাৰাষ্ট্ৰৰ পুণেত অনুষ্ঠিত হৈছে। ৬০ জনীয়া ভাৰতীয় দলটো জাট ৰেজিমেণ্ট আৰু ভাৰতীয় বায়ু সেনাৰ জোৱানে প্ৰতিনিধিত্ব কৰিছে। একেদৰে উজবেকিস্তানৰ দলটো দেশখনৰ সেনা জোৱানে প্ৰতিনিধিত্ব কৰিছে। প্ৰতিৰক্ষা মন্ত্ৰীয়ে কৈছে যে এই যুটীয়া সামৰিক অনুশীলন বাৰ্ষিক প্ৰশিক্ষণ হিচাপে দুয়োখন দেশ অৰ্থাৎ ভাৰত আৰু উজবেকিস্তানত সলনা-সলনিকৈ অনুষ্ঠিত হয়। এই অনুশীলনৰ জৰিয়তে দুয়োপক্ষৰ কৌশলগত তথা অভিযান প্ৰক্ৰিয়াৰ উন্নত ব্যৱস্থাসমূহৰ বিষয়ে দুয়োখন দেশৰ সেনা বাহিনীয়ে জানিবলৈ সমৰ্থ হ'ব। এই অনুশীলনে সহযোগিতা আৰু বন্ধুভাৱাপন্ন দুয়োখন দেশৰ দ্বিপাক্ষিক সম্বন্ধ উন্নত কৰিব বুলি আশা কৰা হৈছে। এই অনুশীলন চলিত মাহৰ ২৮ তাৰিখলৈকে অব্যাহত থাকিব।

০০০০

দেশত বিগত ১০ বছৰত মাছৰ উৎপাদন ৯৫ লাখ টনৰ পৰা প্ৰায় ১৮৪ লাখ টনলৈ বৃদ্ধি পাইছে। পুডুচেৰীত আজি প্ৰধানমন্ত্ৰী মৎস্য সম্পদা যোজনাৰ অধীনত কেইবাটাও প্ৰকল্পৰ উদ্বোধন কৰি মীন, পশুপালন আৰু দুগ্ধ উৎপাদনৰ কেন্দ্ৰীয় ৰাজ্যমন্ত্ৰী জৰ্জ কুৰিয়ানে এইদৰে কয়। পুডুচেৰীত এই আঁচনিৰ অধীনত ২ হেজাৰ ৩০০ খন মাছ মৰা নাওত ট্ৰান্সপণ্ডাৰ স্থাপন কৰা হ'ব বুলি শ্ৰীকুৰিয়ানে আজি ঘোষণা কৰে। এই ট্ৰান্সপণ্ডাৰসমূহে মাছমৰীয়াসকলক পৰিয়ালৰ সৈতে সংযোগ স্থাপন কৰা, তাৎক্ষণিক চিকিৎসা লাভ, আন্তৰাষ্ট্ৰীয় সামুদ্ৰিক সীমা অতিক্ৰম কৰিলে সতৰ্ক কৰি দিয়া আৰু মাছ সন্দৰ্ভত সকলো তথ্য প্ৰদান কৰা আদি কামত সহায় কৰিব। মীন বিপ্লৱৰ অধীনত মীন পালনৰ ক্ষেত্ৰত কেন্দ্ৰৰ প্ৰায় ৩ হাজাৰ কোটি টকাৰ আৰ্থিক প্ৰতিশ্ৰুতি সন্দৰ্ভত মন্ত্ৰীগৰাকীয়ে আলোকপাত কৰে। মীন পালকসকলে এতিয়া কিষাণ ক্ৰেডিট কাৰ্ড আঁচনিৰ অধীনত ৫ লাখ টকা পৰ্যন্ত ঋণ লাভ কৰিব পাৰে বুলিও শ্ৰীকুৰিয়ানে উল্লেখ কৰে। পুডুচেৰীৰ লেফটেনেণ্ট গৱৰ্ণৰ কে. কৈলাশনাথন, মুখ্যমন্ত্ৰী এন ৰংগাস্বামী, বিধানসভাৰ অধ্যক্ষ আৰ ছেলভাম, মন্ত্ৰী আৰু বিধায়কসকলেও এই অনুষ্ঠানত ভাগ লয়।

০০০০

নতুন দিল্লীৰ সংসদ ভৱনত নতুন আয়কৰ বিধেয়ক ২০২৫ ৰ লোকসভাৰ নিৰ্বাচিত কমিটিয়ে আজি এখন বৈঠকত মিলিত হয়। বিজেপি সাংসদ বৈজয়ন্ত পাণ্ডা হৈছে ৩১ গৰাকী সদস্যৰে গঠিত এই কমিটিখনৰ মূৰব্বী। কমিটিখনে সংসদৰ বৰ্ষাকালীন অধিবেশনত তেওঁলোকৰ প্ৰতিবেদন দাখিল কৰিব। আয়কৰ বিধেয়ক ২০২৫ য়ে আয়কৰৰ লগত জড়িত সকলো আইন সংশোধন আৰু একত্ৰিকৰণ কৰিব। সংসদৰ বাজেট অধিবেশনত লোকসভাত এই বিধেয়কখন উত্থাপন কৰা হৈছে। পাছলৈ এই আইনখনৰ খচৰা নিৰ্বাচিত কমিটিলৈ পঠোৱা হৈছিল।

০০০০

উচ্চতম ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ সঞ্জীৱ খান্নাই বি আৰ গাভাইৰ নাম পৰৱৰ্তী মুখ্য ন্যায়াধীশ হিচাপে মনোনীত কৰিছে। ন্যায়াধীশ গাভাই হৈছে উচ্চতম ন্যায়ালয়ৰ ন্যায়ধীশসকলৰ ভিতৰত দ্বিতীয় জ্যেষ্ঠ ন্যায়াধীশ আৰু পৰৱৰ্তী মুখ্য ন্যায়াধীশ হিচাপে কেন্দ্ৰীয় ন্যায় মন্ত্ৰালয়ে তেওঁৰ নামটো মনোনীত কৰিছে। উল্লেখযোগ্য যে বৰ্তমানৰ মুখ্য ন্যায়াধীশ সঞ্জীৱ খান্নাৰ অহা ১৩ মে'ত কাৰ্যকালৰ অন্ত পৰিব।

০০০০

বিশ্বৰ চাহিদা পূৰ কৰিবলৈ বিশেষভাৱে দক্ষ লোকৰ প্ৰশিক্ষণৰ বাবে ভাৰতত এখন প্ৰশিক্ষণ মঞ্চ স্থাপনৰ বিষয়ে কেন্দ্ৰীয় শ্ৰম আৰু নিয়োগ মন্ত্ৰী ড০ মনসুখ মন্দাভিয়াই আজি প্ৰকাশ কৰে। নতুন দিল্লীত অনুষ্ঠিত **ভাৰত মধ্যপ্ৰাচ্য-ইউৰোপ অৰ্থনৈতিক ক'ৰিডৰ সন্মিলন ২০২৫** ত অংশ লৈ মন্ত্ৰী ড০ মন্দাভিয়াই কয় যে ভাৰতে দক্ষ জনশক্তিৰ জৰিয়তে দেশৰ যুৱ জনগাঁঠনিগত লাভ্যাংশ আদায় কৰিব পাৰে। তেওঁ লগতে কয়, যে অংশগ্ৰহণকাৰী দেশসমূহে ভাৰতৰ বিশ্ববিদ্যালয়সমূহত দক্ষতাৰ পাৰস্পৰিক প্ৰমাণপত্ৰৰ ব্যৱস্থা কৰিব পাৰে। ইয়াৰ জৰিয়তে কেৱল যে কৰ্মসংস্থাপনৰ সুযোগেই সৃষ্টি হব তেনে নহয়, বৰং ভাৰতে প্ৰব্ৰজনকাৰী ভাৰতীয়ৰ জৰিয়তে দেশৰ শক্তিও বৃদ্ধি কৰিব পাৰিব। এই সন্মিলনে দেশসমূহৰ মাজত অৰ্থনৈতিক সহযোগিতাৰ লগতে ঐতিহ্য আৰু সংস্কৃতিৰ বিকাশতো অৰিহণা যোগাব বুলি ড০ মন্দাভিয়াই প্ৰকাশ কৰে।

০০০০

তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী অশ্বিনী বৈষ্ণৱে কংগ্ৰেছক নেচনেল হেৰল্ড গোচৰ সন্দৰ্ভত নিকৃষ্টমানৰ ৰাজনীতি কৰা বুলি অভিযোগ কৰিছে। ঋষিকেশত সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত বিধি বলবৎকাৰী সঞ্চালকালয়ে কংগ্ৰেছৰ ছোনীয়া গান্ধী আৰু ৰাহুল গান্ধীৰ বিৰুদ্ধে দাখিল কৰা অভিযোগনামাৰ বিৰুদ্ধে কংগ্ৰেছে কৰা দেশযোৰা প্ৰতিবাদৰ বিষয়ে প্ৰকাশ কৰি মন্ত্ৰীগৰাকীয়ে কয় যে এই বিষয়টো ৰাজনীতিৰ সৈতে জড়িত নহয়, বৰং এয়া দূৰ্নীতিৰহে গোচৰ।

০০০০

কেন্দ্ৰীয় শিক্ষা মন্ত্ৰালয়ে সমগ্ৰ দেশৰ বিভিন্ন বিদ্যালয়লৈ পথ সুৰক্ষা অভিযানৰ পৰিসৰ বৃদ্ধি কৰিবলৈ পথ, পৰিবহন আৰু ঘাইপথ মন্ত্ৰালয়ৰ সৈতে একেলগে কাম কৰিব। সামাজিক মাধ্যমত দিয়া এটা বাৰ্তাত কেন্দ্ৰীয় শিক্ষামন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানে কয়, যে পথ দুৰ্ঘটনা আৰু অসুৰক্ষিত গাড়ীচালনাই বিশ্বত প্ৰায় দহ লাখ লোকৰ জীৱনলৈ বিপদ কঢ়িয়াই আনিছে। বিদ্যালয় শিক্ষা ব্যৱস্থাৰ জৰিয়তে পথ সুৰক্ষাৰ ক্ষেত্ৰত সজাগতা বৃদ্ধিৰ বাবে মন্ত্ৰালয়ে কাম কৰিব বুলি শ্ৰীপ্ৰধানে উল্লেখ কৰে। নতুন দিল্লীত আজি পথ সুৰক্ষা সন্দৰ্ভত শ্ৰীপ্ৰধানে কেন্দ্ৰীয় পথ, পৰিবহন আৰু ঘাইপথ মন্ত্ৰী নীতিন গাডকাৰীৰ সৈতে এখন বৈঠকত মিলিত হয়।

০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি খন্তেক পাছতে নতুন দিল্লীত হবলগীয়া এখন খেলত ডেলহি কেপিটেলছ-ৰাজস্থান ৰয়েলছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। ৰাজস্থান ৰয়েলছে টছত জয়লাভ কৰি ডেলহি কেপিটেলছক প্ৰথমে বেটিং কৰিবলৈ আমন্ত্ৰণ জনায়।

০০০০

সমাপ্ত